গমনৰ পশ্চাৎ = অনুগমন

পাচত যায় যি = অনুচৰ

বিপৰীত অর্থত ঃ

ফলৰ বিপৰীত = প্রতিফল

দানৰ বিপৰীত = প্রতিদান, ইত্যাদি।

এইখিনিতেই উল্লেখযোগ্য যে অসমীয়াৰ অব্যয় শব্দ পিছতো বহে। যেনে -

ঘৰে ঘৰে = ঘৰেপতি (প্রতি)

জনে জনে = জনেপতি বা জনমুৰি, গাইপতি, ইত্যাদি।



জানি থোৱা ভাল

সন্ধি আৰু সমাস একে নহয়। সন্ধি হ'লে দুটি বর্ণৰ মিলন ঘটে; সমাস হ'লে পদৰ মিলন ঘটে। সন্ধিত যি পৰিৱর্তন হয় সেয়া ওচৰা-উচৰিকৈ থকা বর্ণ দুটাৰ সামান্য ধ্বনিৰ পৰিৱর্তন; কিন্তু সমাস হ'লে পদৰ যি পৰিৱর্তন হয় তাৰ দ্বাৰা অর্থান্তৰ হ'ব পাৰে অর্থাৎ অন্য পদলৈকো পৰিৱর্তন হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দ্বন্দ্ব সমাস কাক বোলে?

.....

প্রশ্ন নং ২ ঃ কি সমাস হৈছে লিখক -

তিনিআলি, সপ্তাহ, পীতাম্বৰ।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সন্ধিৰ বিষয়ে ধাৰণা লাভ কৰিলো।
- পৰস্পৰ অর্থৰ সম্পর্ক থকা একাধিক পদ লগ লাগি এটা পদত পৰিণত হোৱাকে সমাস বোলে।
- অসমীয়াত সাধাৰণতে ছয়বিধ সমাসৰ ব্যৱহাৰ হয়। সেইবোৰ হ'ল - দ্বন্দ্ব, দ্বিগু, বহুব্রীহি, কর্মধাৰয়, তৎপুৰুষ আৰু অব্যয়ীভাৱ।



৫.৬ অধিক জানিবলৈ

গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রবেশ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী

গোস্বামী, গোলোকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী

ডেকা, ধর্মসিংহ (২০১৮); *ৰচনা বিচিত্রা*; গুৱাহাটী অসম বুক ডিপো

পাটগিৰি, দীপ্তি ফুকন (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ;* গোলাঘাট ঃ সৰস্বতী প্রকাশন।



৫.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ দুই বা ততোধিক বিভিন্ন অর্থ বুজোৱা পদ লগ লাগি হোৱা সমাসকে দ্বন্দ্ব সমাস বোলে।

২ নং প্রশ্নৰ উত্তৰ ঃ তিনিআলি (তিনিটা আলি য'ত লগ লাগিছে) - দ্বিগু সমাস

সপ্তাহ (সাত দিনৰ সমাহাৰ) - দ্বিগু সমাস

পীতাম্বৰ (পীত অম্বৰ যাৰ) - বহুব্রীহি সমাস



৫.৯ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ সন্ধি কি? সন্ধিৰ ভাগসমূহ কি কি? উদাহৰণ সহ আলোচনা কৰক।

প্রশ্ন নং ২ ঃ সমাস কাক বোলে? ইহঁত কেইবিধ আৰু কি কি ? প্রতিবিধৰে উদাহৰণসহ ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ তলত দিয়া পদবোৰ ভাঙি কি সমাস হৈছে নির্ণয় কৰক -

আমি, পিতলচকুৱা, নাওপেটা, বৃকোদৰ, মহাপুৰুষ, আজীৱন, সাতবিহু, বিদ্যাধন, মুখামুখি।

অধ্যায় ৬ জতুৱা ঠাঁচ আৰু ভাব সম্প্রসাৰণ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ জতুৱা ঠাঁচ আৰু খণ্ডবাক্য
৬.৪ ভাব সম্প্রসাৰণ
৬.৫ সাৰাংশ লিখন
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জতুৱা ঠাঁচৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাৰ জতুৱা ঠাঁচৰ লগত পৰিচিত হ'ব
- বাক্যত জতুৱা খণ্ডবাক্যৰ প্রয়োগ সম্পর্কে জানিব
- ভাব সম্প্রসাৰণ কিদৰে কৰে তাৰ বিষয়ে ধাৰণা লাভ কৰিব
- সাৰাংশ লিখন কি দৰে কৰিব লাগে তাক জানিব

৬.২ পৰিচয়

স্নাতকোত্তৰ পাঠ্যক্রমৰ প্রথম যান্মাসিকৰ অন্তর্গত AEC পাঠ্য বিষয়ৰ এইটো ষষ্ঠ অধ্যায়। অধ্যায়টোৰ শিৰোনাম "জতুৱা ঠাঁচ আৰু ভাব সম্প্রসাৰণ"। ইয়াত অসমীয়া জতুৱা ঠাঁচ আৰু খণ্ডবাক্য, ভাব সম্প্রসাৰণ আৰু সাৰাংশ লিখন সম্পর্কে প্রয়োজনীয় তথ্য লাভ কৰিব।

৬.৩ জতুৱা ঠাঁচ আৰু খণ্ডবাক্য

মনৰ ভাব প্রকাশ কৰোঁতে সকলো ভাষাতে কিছুমান বিশিষ্ট শব্দৰ লগত কিছুমান বিশেষ বিশেষ শব্দ বা ধাতু প্রচলিত অর্থতকৈ পৃথক আন কোনো বিশেষ অর্থত ব্যৱহাৰ কৰা হয়। ভাষাৰ এনে ৰীতি বা ঠাঁচক জতুৱা ঠাঁচ বোলে। জতুৱা ঠাঁচ ভাষাৰ সম্পদ আৰু সৌন্দর্য।

ভাষাৰ লালিত্য আৰু মাধুৰ্য বঢ়োৱাত ই প্ৰভুত সহায় কৰে। যি ভাষাত জতুৰা ঠাঁচৰ প্ৰয়োগ যিমান বেছি সেই ভাষা সিমানেই চহকী। সেইবাবে এটা ভাষা ভালকৈ শিকিবলৈ বা আয়ত্ব কৰিবলৈ জতুৰা ঠাঁচৰ ব্যৱহাৰ জনা উচিত।

তলত জতুৰা ঠাঁচৰ কেইটামান উদাহৰণ আগবঢ়োৱা হ'ল-

তাঁত জোৰে	তৎ পায়	থোক মেলে	থোক পৰে
ধান দায়	ধান সিঁচে	ধুন মাৰে	নাম লয়
নাম গায়	নাম থয়	পণ কৰে	পিয়াহ লাগে
পিয়াহ পলায়	ফুল ফুলে	ফাঁকি দিয়ে	ফাঁচ লয়
বাট বুলে	বৰ দিয়ে	বৰ লয়	ভয় খায়
ভয় লাগে	ভয় হয়	ভাত ৰান্ধে	মত দিয়ে
মত সলায়	মন কৰে	মন মেলে	শৰাই ভাঙে
শপত খায়	শৰণ লয়	শৰ মাৰে	সকাম কৰে
সকাম পাতে	সাজ সলায়	হৰণ কৰে	হাল জোৰে
হাত পাতে	ৰ'দ ওলায়	ৰং লাগে	ৰহন সানে
ৰস বয়	ক্ষমা কৰে	ক্ষমা খোজে	ক্ষমা মাগে ইত্যাদি



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ কোন কেইটা জতুৰাৰ প্ৰয়োগ ভুল নিৰ্ণয় কৰক- খং কৰে, খেপ লয়, খৰ পৰে, গুণ লগায়, গুণ ধৰে, গছত বগায়, ঘৰ বনায়, ঘূমটি পৰে, গাখীৰ পগায়

বিশেষ্য, বিশেষণ, ক্ৰিয়া আৰু বিভিন্ন পদক বেলেগ বেলেগকৈ বা একেলগে বিশেষ অৰ্থত প্ৰয়োগ কৰি খণ্ডবাক্য বা জতুৰা খণ্ডবাক্য গঠন কৰা হয়। এই খণ্ডবাক্যসমূহে অভিধানগত সাধাৰণ অৰ্থ প্ৰকাশ নকৰি একোটা বিশেষ অৰ্থ বা ভাব প্ৰকাশ কৰে। যেনে— 'হাত টান' এই খণ্ডবাক্যই টান হাতৰ কথা নুবুজাই কৃপণ, চিকটা আদি অৰ্থহে প্ৰকাশ কৰে। সাধাৰণতে এই খণ্ডবাক্যবোৰ মানৱ দেহৰ বিভিন্ন অংগ-প্ৰত্যংগ বা সচৰাচৰ চকুৰে দেখি থকা বা মানুহে ব্যৱহাৰ কৰি থকা শব্দৰ আধাৰতে সৃষ্ট। উল্লেখযোগ্য যে ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, প্ৰৱচন আদিও জতুৰা খণ্ডবাক্যৰ অন্তৰ্গত। এই ক্ষেত্ৰত অসমীয়া ভাষা অতি চহকী। অসমীয়া ভাষাত থকা অলেখ জতুৰা খণ্ডবাক্যই ভাষাটিক শুৱলা-সুৱদি কৰাৰ লগতে ভাষাৰ প্ৰকাশিকা শক্তিৰ ব্যাপকতাৰ পৰিচয়ো দাঙি ধৰিছে। তলত কেইটামান অসমীয়া জতুৰা খণ্ডবাক্যৰ উদাহৰণ দাঙি ধৰা হ'ল—

বিশেষ শব্দক বিশেষ অৰ্থত ব্যৱহাৰ কৰি

কপাল ফুটা— দুৰ্ভাগ্য উপস্থিত হোৱা কপাল ফুলা—সৌভাগ্য উপস্থিত হোৱা

কাণ কটা— নিলাজ, দুষ্ট কাণে কাণ মাৰি— কোনো মতে
গা গধুৰ— এলেহুৱা চকু গজা— বুজন হোৱা
চকু মুদা— মৃত্যু হোৱা ঘৰ কৰা— গৃহস্থালি কৰা, ইত্যাদি

বিশেষণক বিশেষ অর্থত ব্যৱহাৰ কৰি---

ধোদৰ পচলা— এলেহুৱা লোক আটোম টোকাৰি— পৰিপাটি, নিয়াৰি
ভেটাৰ গোঁজ— উপঢৌকন কেঁচা ঘুমটি— আধা টোপনি
সৰবৰাহী— সকলোৱে ভালপোৱা টটাটিঙা— টেঙৰ, দুষ্ট, ইত্যাদি।

ক্রিয়া পদক বিশেষ অর্থত ব্যৱহাৰ কৰি---

মাটি কৰা— নষ্ট কৰা জেঙা লগা— লেঠা লগা,
মাত লগা— সম্বোধন কৰা ধুন মৰা— দেখনিয়াৰ হোৱা
বাজি মৰা— পণ ধৰা গা এৰা দিয়া— সম্পর্ক এৰা,
খাই পাত ফলা— অশলাগী, ইত্যাদি।

বিভিন্ন পদক একেলগে বিশেষ অর্থত ব্যৱহাৰ কৰি---

অজীণ পাতকী— মিলিব নোৱাৰা অথাই সাগৰ— ডাঙৰ বিপদ
অলপ পানীৰ মাছ— দুর্বল আঁচলৰ ধন— অতি মৰমৰ
আঁঠুৰা তলৰ মহ— নিজৰ অধীনৰ আকাশত চাং পতা— অস্বাভাৱিক কল্পনা
আলাসৰ লাডু— অতি মৰমৰ পাবত গজা— ওপৰতে হোৱা
ফুটুকাৰ ফেন— অসাৰ ইত্যাদি

বাক্যত জতুৱা খণ্ডবাক্যৰ প্রয়োগ

গা-গধুৰ ঃ গা গধুৰ স্বভাৱৰ মানুহে জীৱনত উন্নতি কৰিব নোৱাৰে।
একাণপতীয়া ঃ একাণপতীয়াকৈ (একনিষ্ঠভাৱে) লাগি থাকিলেহে যি কোনো ক্ষেত্রত সাফল্য লভিব পাৰি।
ধুন মৰা ঃ পঢ়া-শুনা নকৰি ধুন মাৰি ফুৰিলে পৰীক্ষাত পাছ কৰিব নোৱাৰি।
আকাশত চাং পতাঃ আকাশত চাং পাতি থাকিলে বাস্তৱ জীৱনত উজুতি খোৱাই স্বাভাৱিক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলত উল্লেখ কৰা জতুৰা খণ্ড বাক্যবোৰৰ অর্থ লিখক।

কাণ কটা, চকু গজা, অজীন পাতকী, আঁঠুৰা তলৰ মহ, পাবত গজা।

ফকৰা-যোজনা-পটন্তৰ মানুহৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ ফল। ফকৰা হ'ল কোনো উদাহৰণ দেখুৱাবৰ বাবে এশাৰী-দুযাৰী বা ততোধিক শাৰীৰে বুজোৱা কথা। কোনো কথা অধিক অর্থবহ কৰি তুলিবৰ বাবে ফকৰাৰ প্রয়োগ কৰা হয়। উদাহৰণস্বৰূপে- 'কোটাৰ ঘৰৰ কুটি, লোকলৈ বুলি হুল পুতি নিজে মৰে ফুটি'। ইয়াৰ দ্বাৰা বুজাব বিচৰা হৈছে যে পৰৰ অহিত চিন্তা কৰোঁতে নিজৰেই অনিষ্ট হোৱাৰ থল থাকে। কেইটিমান অসমীয়া ফকৰাৰ উদাহৰণ হ'ল—

ক) আহক বাৰিষা কাটক পাত
  ৰৈ যা ভিনিহি খাই যা ভাত।

খ) পশু নকৰিবা শৰ, মৰাও নানিবা জীয়াও নানিবা
  সুদা হাতে নপসিবা ঘৰ।

আনহাতে মানুহে কিছুমান কথা জোৰ দি বুজাবলৈ, আৰ্হি/নিদর্শন দাঙি ধৰিবলৈ নতুৰা কোনো উপদেশ দিবলৈ লগত ছন্দস্পন্দ প্রয়োগ কৰি একোফাঁকি কথা এনেয়ে জোৰা দিয়ে, এনে জোৰা দিয়া কথাই হ'ল যোজনা। যেনে— 'অতি ভক্তি চোৰৰ লক্ষণ'— এই যোজনাত স্বাভাৱিকতকৈ বা প্রয়োজনতকৈ অতিমাত্রা ভক্তি দেখুওৱা লোকসকল প্রকৃততে যে কপট বা বেয়া স্বভাৱৰ তাকে অর্থ প্রকাশ কৰা হৈছে। সেইদৰে 'অবুজনক বুজোৱা, ঢেৰুৱাৰ ঠাৰি সিজোৱা'— এই যোজনাত ঢেৰুৱাৰ ঠাৰি সিজোৱা যেনে টান কাম, বুজিব নোখোজা মানুহক বুজোৱাও তেনে টান তাকে প্রকাশ কৰা হৈছে। তলত অসমীয়া ভাষাত প্রয়োগ হোৱা যোজনা কেতবোৰ হ'ল—

অচিন কাঠৰ থোৰা নলগাবা
আপদৰ মাত, আকালৰ ভাত
আপোনাৰ নাক কাটি সতিনীৰ যাত্রা ভংগ কৰা
টেঙা আম এবাৰহে বেচিব পাৰি
হাতী মাৰি ভুৰুকাত ভৰোৱা
উদৰ সাত পুৰুষ গ'ল কেঁচা মাছ খাই, ইত্যাদি।

আঠুৰা চাই ঠেং মেলা
উদক ভেটা ৰখীয়া পতা
উলুৰ লগত বগৰী পোৰা
অধিক মাছত বগলী কণা
উপকাৰীক অজগৰে খায়

ঠিক সেইদৰে পটন্তৰ লোক-প্রজ্ঞাৰ স্বতঃস্ফূর্ত অভিব্যক্তি। পটন্তৰত সাধাৰণতে দুফাঁকি কথা থাকে। ইয়াৰে প্রথম ফাঁকি কথাৰ লগত দ্বিতীয় ফাঁকি কথাৰ বিষয়বস্তুৰ স্বভাৱগত বা গুণগত মিল থাকে আৰু ইটোৰ লগত সিটোক ৰিজনি দি মূল বক্তব্য প্রকাশ কৰা হয়। পটন্তৰবিলাকত অসমীয়া জনজীৱনৰ বহুতো কথাৰ সন্ধেদ পোৱা যায়। যেনে—'মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই।' এই পটন্তৰটিৰ অর্থ হ'ল— একগোট হৈ থাকিলে মৰণ নাই। অসমীয়া ভাষাত

প্রচলিত এনে কেইটামান পটন্তৰ হ'ল-

ক) আটাইতকৈ তিতা নেমুটেঙাৰ পাত,
তাতোকৈ তিতা মাহী আইৰ মাত।

খ) তিৰীৰ লেনিওৱা, বৰষুণৰ কণিওৱা
ঘৰ চাই নকৰে মূধচ, ইয়াকৈ নাই কুন্ধচ।

মুঠতে, জতুৱা ঠাঁচ আৰু খণ্ডবাক্যসমূহ কোনো এটা ভাষাৰ নিজস্ব সম্পদ আৰু সৌন্দর্য। কোনো এটা ভাষা সম্পূর্ণকৈ শিকিবলৈ বা জানিবলৈ হ'লে এইবোৰৰ ব্যৱহাৰ ভালদৰে শিকা উচিত। মানুহৰ জাগতিক জীৱনৰ প্রায়বোৰ কথাই এইবোৰত পোৱা যায়। তলৰ ভাৱ সম্প্রসাৰণ শাখাটিত দুটি যোজনাৰ মূল ভাৱ বর্ণনা কৰা হৈছে। সেই কেইটাৰ আধাৰত আপুনি ফকৰা-যোজনা আৰু পটন্তৰৰ ভাব সম্প্রসাৰণ কৰিবলৈ যত্ন কৰক।



জানি থোৱা ভাল

ফকৰা-যোজনা-পটন্তৰ বিশেষকৈ লোক-সাহিত্যৰ অন্তর্গত। এই বিলাকত ৰচকৰ নাম উল্লেখ নাথাকে। এইবোৰ বিভিন্ন লোকৰ দ্বাৰা বিভিন্ন যুগত ৰচিত হৈছে আৰু এইবোৰ যুগনিৰপেক্ষ।

৬.৪ ভাব সম্প্রসাৰণ

মনৰ ভাব প্রকাশ কৰিবলৈ বিচৰাটো মানুহৰ স্বাভাৱিক প্রবৃত্তি। ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে ভাষা সৃষ্টিৰ মূলতে হ'ল মানুহে মনৰ ভাব ব্যক্ত কৰিবলৈ কৰা চেষ্টা। মানুহৰ মনৰ ভাব প্রধানতঃ দুই ধৰণে প্রকাশ হ'ব পাৰে— (১) গদ্য আৰু (২) পদ্য / কবিতা। এই দুই মাধ্যমেৰে ব্যক্ত হোৱা কথা কেতিয়াবা সহজে বুজিব পৰা ধৰণৰ হয় আৰু কেতিয়াবা নহয়। সেয়েহে কেতিয়াবা এনে ধৰণৰ ৰচনাসমূহৰ মূল কথাটি সহজ-সৰল ভাষাৰে সকলোৱে বুজিব পৰাকৈ লিখাৰ প্রয়োজনীয়তা আহি পৰে। এনেদৰে মানুহৰ মনত সৃষ্টি হোৱা চিন্তা আৰু ব্যাখ্যা বা বিশ্লেষণৰ প্রয়োজন হোৱা কোনো কথাৰ অন্তর্নিহিত ভাবটি অতি সহজ-সৰল আৰু মধুৰ ভাষাৰে বহলভাৱে আলোচনা কৰাকে ভাব সম্প্রসাৰণ কৰা বোলা হয়।

সাধাৰণতে গদ্যৰচনা আৰু পদ্য তথা কবিতাৰ ভাব সম্প্রসাৰণ কৰিবলৈ দিয়া হয় যদিও আমাৰ পাঠ্যবিষয়ত কেৱল ফকৰা-যোজনা আৰু পটন্তৰৰ ভাব সম্প্রসাৰণ বিষয়টিহে অন্তর্ভুক্ত কৰা হৈছে। পৰীক্ষাত কেৱল ফকৰা-যোজনা আৰু পটন্তৰৰ ভাব সম্প্রসাৰণ কৰিবলৈ দিয়া হ'ব। আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে ফকৰা-যোজনা আৰু পটন্তৰত কোনো কথা বা মনৰ ভাব বেকাঁ ভাষাৰে প্রকাশ কৰা হয়। সেয়ে এইবোৰৰ ভাব সম্প্রসাৰণ কৰাৰ প্রয়োজন

থাকে। তলত তাৰে নমুনা হিচাপে দুটি যোজনাৰ ভাব সম্প্ৰসাৰণ কৰি দিয়া হৈছে। সেই দুটাকে আৰ্হি হিচাপে লৈ অসমীয়া বিভিন্ন ফকৰা-যোজনা আৰু পটন্তৰৰ ভাব সম্প্ৰসাৰণ কৰিবলৈ যত্ন কৰক।

উলুৰ লগত বগৰী পোৰা

উলু গছ থকা ঠাইত সাধাৰণতে বগৰী গছ থাকে। বগৰীৰ ফল হয় আৰু ই সুস্বাদু। এই ফল মানুহৰ লগতে জীৱ-জন্তু আদিয়েও খায়। ই জীৱৰ বাবে অতি উপকাৰী গছ, কিন্তু উলু বগৰীৰ দৰে উপকাৰী নহয়। বিশেষকৈ, খেতি কৰিবৰ সময়ত মাটি মুকলি কৰিবৰ বাবে উলুৱনিত জুই দিয়া হয়। এনে জুইয়ে উলুৰ লগতে জীৱৰ উপকাৰী বগৰী গছো পুৰি নাশ কৰে। উলুৰ লগত থকাৰ বাবেই আনৰ দোষতে বগৰী গছো পোৰা যায়। ইয়াৰ দ্বাৰা ইয়াকে বুজাব খোজা গৈছে যে বেয়া বা অসৎ জনৰ লগত থাকিলে ভাল বা সৎ জনৰো অপকাৰ হয়, কেতিয়াবা বিপদত পৰে। সেই কাৰণে নিজৰ মংগল কামনা কৰা সকলে সদায় কু বা অসৎ সংগৰ পৰা দূৰত থকা উচিত।

ভীমৰ গদা ঘূৰাব লাগিলে শক্তিৰ আৱশ্যক

ভীম মহাভাৰতৰ এজন অন্যতম বীৰ আছিল। পঞ্চপাণ্ডৱৰ ভিতৰতে তেওঁ আছিল বাহুৱলী আৰু অতি সাহসী গদাধাৰী। তেওঁৰ গদাৰ ওজন আছিল আশীমোন। ইমান গধুৰ গদা হ'লেও সেয়া তেওঁ অতি অনায়সে ঘূৰাব পাৰিছিল। কাৰণ সেই অনুপাতে তেওঁৰ শৰীৰত আছিল যথেষ্ট বল। ঠিক তেনেদৰে কোনো এটা কাম মানুহে সুন্দৰভাৱে কৰিবলৈ হ'লে সেই অনুপাতে তেওঁৰ বুদ্ধি, বল আৰু সামৰ্থ থকাৰ প্ৰয়োজন। অন্যথা তেওঁ সেই কাম সুকলমে সমাধা কৰিব নোৱাৰিব। গতিকে, কোনো এটা কাম কৰিবলৈ যোৱাৰ আগতে সেই কামৰ জোখাৰে নিজৰ শক্তি-সামৰ্থ আছে নে নাই সেয়া প্ৰত্যেকেই ভাবি চোৱা উচিত।

৬.৫ সাৰাংশ লিখন

কোনো এক ৰচনাৰ সম্পূৰ্ণ পাঠখিনি পঢ়ি তাৰ সাৰ বা মূল কথাখিনি চমু আৰু সহজ-সৰল ভাষাত লিখাকে সাৰাংশ লিখন বোলে। ব্যক্তি ভেদে ভাব প্ৰকাশৰ ৰীতি বেলেগ বেলেগ। কিছুমান এই কাৰ্য অতি সংক্ষেপে সহজে কৰিব পাৰে আৰু কিছুমান নোৱাৰে। কিছুমানে নিজৰ মনৰ কথাখিনি শুৱলা কৰিবৰ বাবে বিবিধ উপমা, জতুৰা ঠাঁচ আদিৰ সহায় লয়। সেই বাবে তেনে ধৰণৰ ৰচনাৰ মূল কথাখিনি প্ৰকাশ কৰিবলৈ হ'লে সাৰাংশ লিখিব লাগিব। সাৰাংশ লিখিবৰ বাবে সাধাৰণতে কেতবোৰ বিশেষ দিশৰ ওপৰত গুৰুত্ব দিব লাগে। সেই কেইটা হ'ল—

- পাঠৰ কথাখিনি ভালদৰে পঢ়ি বুজিবলৈ যত্ন কৰিব লাগে।

- পাঠৰ মূল কথা যাতে বাদ নপৰে তাৰ প্রতি সতর্ক হ'ব লাগে। সেইদৰে মূলত নথকা কথা যাতে সাৰাংশত অন্তর্ভুক্ত নহয় তাৰ প্রতি সদা সচেতন হ'ব লাগে।
- মূল পাঠত থকা প্রত্যক্ষ উক্তিবোৰ সাৰংশত পৰোক্ষ উক্তিত প্রকাশ কৰিব লাগে।
- বাক্য সাধাৰণতে চুটি, সহজ-সৰল আৰু সুৱলা হ'ব লাগে।
- দ্ব্যর্থবোধক শব্দ বা বাক্য পৰিহাৰ কৰিব লাগে। সেইদৰে একেটা কথা পুনঃ পুনঃ উল্লেখ কৰিব নালাগে।
- উপমা, পটন্তৰ আদি পৰিত্যাগ কৰি যথাসম্ভৱ মূল কথাখিনি চমুকৈ সহজ-সৰল ভাষাৰে লিখিবলৈ যত্ন কৰিব লাগে।

তলত এটি কবিতা আৰু এটি গদ্য পাঠৰ সাৰাংশ কেনেদৰে লিখা হয় তাৰ আৰ্হি ধৰা হ'ল। সেই দুটাকে নমুনা হিচাপে লৈ বিভিন্ন কবিতা আৰু গদ্যৰ সাৰাংশ লিখিবলৈ যত্ন কৰক। পৰীক্ষাত যি কোনো পুথিৰ পৰা কোনো অংশ তুলি দি সাৰাংশ লিখিবলৈ দিয়া হ'ব। ইয়াৰ বাবে কোনো নির্দিষ্ট পাঠ ধৰাবন্ধা হিচাপে নির্দ্ধাৰণ কৰা নাথাকে।

(ক) আহিছে মানুহ গইছে মানুহ
মানুহ ময়াপী জীৱ।
মানুহ সোঁতত অন্ত নাইকিয়া
বুলিলে মৰত কিয়?
মানবী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।
মানুহেই লগ মানুহেই সংগ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বর্গতো অধিক
মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অর্ঘ্য লই
জয় জয় মানৱ দেৱ।— চন্দ্রকুমাৰ আগৰৱালা

সাৰাংশ ঃ স্বর্গতকৈয়ো সুন্দৰ এই পৃথিৱীয়েই হ'ল মানুহৰ চিৰন্তন আবাসভূমি। অনন্তকাল ধৰি পৃথিৱীৰ বুকুলৈ মানুহ আহিছে আৰু গৈছে। তাৰ কোনো অন্ত নাই। এই সংসাৰত মানুহেই শ্রেষ্ঠ জীৱ। সংসাৰত মানুহে দেৱ, মানুহেই সেৱ। মানুহক সেৱা কৰাই শ্রেষ্ঠ মানৱ ধর্ম। সেই কাৰণে মানৱৰ মংগলৰ বাবে মানুহে সদায় সেৱা আগবঢ়াব লাগে।

(খ) সকলো প্রকাৰ উপদেশতকৈ জীৱনৰ দৃষ্টান্ত বেছি কার্য্যকাৰক। সৎ কাম কৰিবলৈ, ধৰমত চলিবলৈ, দেশৰ নিমিত্তে জীৱন দিবলৈ, উপদেশ দি কিতাপ লিখা বা দীঘল দীঘল বক্তৃতা দিয়া সহজ কাম, কিন্তু সেইবিলাক উপদেশ মতে কাম কৰা বৰ টান। এই কাৰণে, মুখৰ উপদেশ মানুহে বৰকৈ নামানে আৰু নানা প্রকাৰ ওজৰ উলিয়াই সেই মতে কাম কৰিবলৈকো বৰ যতন নকৰে। কিন্তু মানুহে বাস্তৱতে যি কাম এবাৰ কৰিছে, সেই কাম টান হ'লেও অসাধ্য বুলি ওজৰ কৰিবলৈ বাট নাথাকে। মানুহৰ জীৱনৰ আৰ্হি অব্যর্থ বীজ সি সকলো ঠাইতে গজে। আৰ্হি জীৱনৰ আৰ্হি নলৈ মানুহে নোৱাৰে।

— *লম্বোদৰ বৰা।*

সাৰাংশ ঃ উপদেশতকৈ আৰ্হি ভাল, শ্রেষ্ঠ। মানুহৰ জীৱনত আৰ্হি অব্যর্থ বীজ। জীৱনত উপদেশে যি কাম কৰিব নোৱাৰে আৰ্হিয়ে তাৰ তুলনাত বহুত বেছি কার্য সাধন কৰিব পাৰে। আৰ্হি উপদেশতকৈ বেছি কার্যকাৰক। আৰ্হিৰ মানত অসাধ্য বুলি কোনো কথা নাই ।



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

(১) প্রত্যেকটো ভাষাৰে একোটি ঘৰুৱা ঠাঁচ বা ভংগী থাকে। এই নিজা ভংগী বা ঘৰুৱা ঠাঁচটিকে সেই ভাষাৰ জতুৰা ঠাঁচ বোলা হয়।

(২) সাধাৰণতে জতুৰা ঠাঁচ বিলাকৰ প্রয়োগ দুই ধৰণে হয়। যথা— ভাষাৰ জতুৰা প্রয়োগ ৰূপে আৰু জতুৰা খণ্ডবাক্য ৰূপে।

(৩) ইয়াৰে জতুৰা খণ্ডবাক্যৰ ভিতৰত ফকৰা-যোজনা, প্রবাদ-প্রৰচন, পটন্তৰ আদি অন্তর্ভুক্ত।

(৪) এই বিলাকৰ নির্দিষ্ট প্রয়োগতহে ভাষাৰ বিশুদ্ধতা ৰক্ষা পৰে। অন্যথা ভাষাই নিজৰ বৈশিষ্ট্যখিনি হেৰুৱাই বিজতৰীয়া হৈ পৰাৰ সম্ভৱনা অধিক।

(৫) অসমীয়া ভাষাৰ শুদ্ধ প্রয়োগ শিকিবৰ বাবেই আমি অসমীয়া ভাষাৰ জতুৰা ঠাঁচ সম্পর্কে অধ্যয়ন কৰিব লাগে।

(৬) মানুহৰ মনত সৃষ্টি হোৱা চিন্তা আৰু ব্যাখ্যা বা বিশ্লেষণৰ প্রয়োজন হোৱা কোনো কথাৰ অন্তর্নিহিত ভাবটি অতি সহজ-সৰল আৰু মধুৰ ভাষাৰে বহলভাৱে আলোচনা কৰাকে ভাব সম্প্রসাৰণ কৰা বোলা হয়।

(৭) কোনো এক ৰচনাৰ সম্পূর্ণ পাঠখিনি পঢ়ি তাৰ সাৰ বা মূল কথাখিনি চমু আৰু সহজ সৰল ভাষাত লিখাকে সাৰাংশ লিখন বোলে। ইয়াৰ বাবে আমি কেতবোৰ নির্দিষ্ট নিয়ম মানি চলিব লাগে। এইবোৰৰ বিষয়ে উদাহৰণসহ এই অধ্যাটিত আলোচনা কৰা হৈছে।



৬.৭ অধিক জানিবলৈ

গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।
গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রবেশ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী
গোস্বামী, গোলোকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী
পাটগিৰি, দীপ্তি ফুকন (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ*; গোলাঘাট ঃ সৰস্বতী প্রকাশন।



৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ খৰ পৰে, গুণ লগায়, ঘৰ বনায়, ঘূমটি পৰে।

২ নং প্রশ্নৰ উত্তৰঃ কাণ কটা — নিলাজ, দুষ্ট
চকু গজা — বুজন হোৱা
অজীণ পাতকী— মিলিব নোৱাৰা
আঁঠুৱা তলৰ মহ — নিজৰ অধীনৰ
পাবত গজা — ওপৰতে হোৱা



৬.৯ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ তলত উল্লেখ কৰা নাম শব্দসমূহত শুদ্ধ ক্রিয়া ব্যৱহাৰ কৰি লিখক—

খৰ, গছত, ঘৰ, ঘূমটি, চমক, ছল, জ্বাল, টোপ, টোকৰ, ঠেঙুলি, থোক, ফাঁকি

প্রশ্ন নং ২ ঃ তলত উল্লেখ কৰা খণ্ডবাক্যসমূহৰ অর্থ লিখি বাক্য ৰচনা কৰক—

কপাল ফুলা, চকু গজা, আটোম টোকাৰি, টটাটিঙা, ধুন মৰা, অথাই সাগৰ, আঁচলৰ ধন, আলাসৰ লাডু, ফুটুকাৰ ফেন

প্রশ্ন নং ৩ ঃ ভাব সম্প্রসাৰণ কৰক—

পশু নকৰিবা শৰ, মৰাও নানিবা জীয়াও নানিবা
সুদা হাতে নপসিবা ঘৰ।
টেঙা আম এবাৰহে বেচিব পাৰি

হাতী মাৰি ভুৰুকাত ভৰোৱা
উদৰ সাত পুৰুষ গ'ল কেচাঁ মাছ খাই
তিৰীৰ লেনিওৱা, বৰষুণৰ কণিওৱা
ঘৰ চাই নকৰে মূধচ, ইয়াকৈ নাই কুন্ধচ।

প্রশ্ন নং ৪ ঃ সাৰাংশ লিখক—

এই গৰাকী কবিৰ এটা প্রিয় প্রতীক হ'ল 'আকাশ'। কবিৰ চকুৰ আকাশে সম্ভৱতঃ 'মহাজীৱনৰ মুক্তিৰ ইংগিত বহন কৰি আনে'। কবি 'একান্তভাৱেই মাটিৰ পৃথিৱীৰ আৰু মাটিৰ মানুহৰ কবিঃ এই পৰিচিত পৃথিৱীখনক আৰু ইয়াৰ মানুহবিলাকক তেখেতে গভীৰভাৱে ভাল পায়'। মানৱতাবাদী কবিৰ কবিতা জীৱনৰে বন্দনা। জীৱন, জীৱিকা, সত্য-অসত্য, বকৰাণি আৰু বিশ্ব— এইবোৰক লৈয়ে কবিৰ কবিতা।

প্রণিধানযোগ্য যে ৰঘুনাথ চৌধাৰীৰ কবি প্রতিভাৰ বিকাশত ইংৰাজী ৰোমান্টিক কবিতাৰ পোনপটীয়া প্রভাৱ পৰিলক্ষিত নহয়। শংকৰী তথা সংস্কৃত সাহিত্যৰ অধ্যয়নেহে তেওঁৰ মনত প্রভাৱ বিস্তাৰ কৰি ছিল। আমাৰ অতি চিনাকী শব্দচয়ন, চিত্রকল্প, ছন্দসজ্জা প্রয়োগ কৰি তেওঁ তেওঁৰ কাব্যদেহা নির্মাণ কৰিছে। মৌ-মাখিয়ে বিভিন্ন ফুলৰ পৰা ৰস আহৰণ কৰাৰ দৰে বিভিন্ন পৌৰাণিক আখ্যান, সংস্কৃত কাব্য সাহিত্যৰ অক্ষয় ভাণ্ডাৰৰ পৰা তেওঁ উপযুক্ত শব্দ, বাক্যাংশ চয়ন কৰি নিজ কবিত্ব গুণেৰে সেয়া বিভূষিত কৰি কাব্য ৰচনাত প্রবৃত্ত হৈছিল।